NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিকশিত ভাৰত, ২০৪৭ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে মহৎ আকাংক্ষা।

৩। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, কেৱল আন্তঃৰাষ্ট্ৰীয় সহযোগিতাইহে বিশ্বৰ উমৈহতীয়া অঞ্চলসমূহ সুৰক্ষিত কৰাৰ লগতে সমগ্ৰ বিশ্বৰ পন্য সামগ্ৰী বিতৰণ সুনিশ্চিত কৰিব।

৪। নতুন দিল্লীত আজি বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হৈছে।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰিব। প্ৰতিমাহে প্ৰচাৰিত এই অনুষ্ঠানৰ এয়া হ'ব ১১২ সংখ্যক খণ্ড। আনহাতে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত শ্ৰী মোদীৰ এয়া হ'ব মন কী বাতৰ দ্বিতীয়টো খণ্ড। এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপ যোগে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান পোনপটীয়াভাৱে এয়াৰ নিউজ, ডি ডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ ইউটিউব চেনেলটো শুনিবলৈ পোৱা যাব। আকাশবাণীয়ে এই অনুষ্ঠানৰ পাছতে আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিকশিত ভাৰত, ২০৪৭ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে মহৎ আকাংক্ষা। নীতি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰি আজি নৰেন্দ্ৰ মোদীয়ে লগতে কয় যে, ৰাজ্যসমূহে এই লক্ষ্যত উপনীত হ'বৰ বাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে, কিয়নো ৰাজ্যসমূহ প্ৰত্যক্ষভাৱে জনসাধাৰণৰ সৈতে জড়িত হৈ আছে। তেওঁ কয় যে, এই দশকতো হৈছে পৰিৱৰ্তন, প্ৰযুক্তিগত আৰু ভূৰাজনৈতিক সম্পৰ্কৰ সময়। ভাৰতে এই সুবিধাসমূহ গ্ৰহণ কৰি বৈদেশিক বিনিয়োগৰ বাবে অনুকূল হিচাপে গঢ়ি তুলিব লাগে। ভাৰতক

উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে এয়া প্ৰগতিৰ খোজ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত এতিয়া উন্নতিৰ সঠিক দিশেৰে আগবাঢ়ি গৈছে। দেশবাসী এতিয়া উৎসাহ আৰু আত্মবিশ্বাসেৰে ভৰপূৰ হৈ আছে। বিকশিত ভাৰত ২০৪৭ৰ সপোন সকলো ৰাজ্যৰ ঐক্যবদ্ধ প্ৰচেষ্টাত পূৰণ কৰিব পৰা যাব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে কয়, বিকশিত ৰাজ্যসমূহে বিকশিত ভাৰত নিৰ্মাণ কৰিব। ভাৰত এখন যুৱ শক্তিৰে পৰিপূৰ্ণ হৈ থকা দেশ আৰু ইয়াৰ কৰ্মশক্তিৰ বাবে সমগ্ৰ বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। সেয়ে ভাৰত চৰকাৰে দেশখনৰ যুৱ শক্তিক দক্ষ আৰু নিয়োগযোগ্য কৰ্মশক্তি হিচাপে গঢ়ি  তোলাৰ লক্ষ্য গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিকশিত ভাৰত, ২০৪৭ৰ লক্ষ্য স্পৰ্শ কৰিবলৈ দক্ষতা, গৱেষণা, উদ্ভাৱন আৰু চাকৰিভিত্তিক জ্ঞানৰ অতি প্ৰয়োজন। উল্লেখযোগ্য যে, নীতি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠকখন নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত আজি অনুষ্ঠিত হৈ যায়। নীতি আয়োগৰ অধ্যক্ষৰ দায়িত্বতো থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৈঠকৰ  অধ্যক্ষতা কৰে। ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীবৰ্গ, আয়োগৰ উপাধক্ষ্য সুমন বেৰী আৰু আয়োগৰ সদস্যসকল বৈঠকত উপস্থিত থাকে। এই বৈঠকৰ মূল বিষয়বস্তু হৈছে বিকশিত ভাৰত, ২০৪৭ আৰু এই বিষয়বস্তুৰ জৰিয়তে ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাত চৰকাৰে গুৰুত্ব আৰোপ কৰে।

এই বৈঠকত বিকশিত ভাৰত দৃষ্টিভংগী সন্দৰ্ভত আলোচনা কৰা হয়। নীতি আয়োগে প্ৰকাশ কৰা অনুসৰি এই পৰিচালন পৰিষদৰ বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতা বৃদ্ধি আৰু অংশীদাৰিত্ব শাসনৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰ জৰিয়তে গ্ৰাম্য আৰু নগৰাঞ্চলৰ বাসিন্দাসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। এই বৈঠকত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাজ্যসমূহে ল'বলগীয়া ভূমিকা সন্দৰ্ভতো বিস্তৃত আলোচনা কৰা হয়। আয়োগে লগতে প্ৰকাশ কৰে যে, মুঠ ঘৰুৱা উৎপাদন পাঁচ ট্ৰিলিয়ন আমেৰিকান ডলাৰ পাৰ কৰাৰ লক্ষ্য লৈ ভাৰত সম্প্ৰতি বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হোৱাৰ দিশে আগবাঢ়িছে। লগতে ভাৰতে ২০৪৭ চনৰ ভিতৰত ৩০ ট্ৰিলিয়ন আমেৰিকান ডলাৰ অৰ্থনীতিত উপনীত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে, ভাৰতে এক্ট ইষ্ট পলিচিৰ জৰিয়তে আছিয়ানৰ ঐক্য আৰু কেন্দ্ৰীয়তা বৰ্তাই ৰাখিব। আজি ভিয়েটনামত অনুষ্ঠিত চতুৰ্দশ পূব এছীয় সন্মিলনৰ বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকত ভাষণ দি তেওঁ কয় যে, নৱম পূব এছিয়া শীৰ্ষ সন্মিলনত ঘোষণা কৰা এক্ট ইষ্ট পলিচিয়ে এটা দশক সম্পূৰ্ণ কৰিছে। তেওঁ লগতে কয় যে, অহা বছৰ পূব এছীয় শীৰ্ষ সন্মিলনৰ প্ৰক্ৰিয়াই দুটা দশক সম্পূৰ্ণ কৰিব আৰু পূব এছীয় শীৰ্ষ সন্মিলনৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ভাৰতে অৰিহণা যোগাব। ড০ জয়শংকৰে লগতে কয়, পূব এছীয় সন্মিলনৰ কাৰ্যপন্থাৰ দিশত ভাৰতে ধাৰাবাহিকভাৱে অৰিহণা যোগাই আহিছে। মুম্বাইত অনুষ্ঠিত পূব এছীয় সামুদ্ৰিক নিৰাপত্তা আৰু সহযোগিতা সন্মিলনত ভাৰতবৰ্ষৰ এই ঐক্যান্তিক প্ৰচেষ্টা প্ৰতিফলিত হৈছে।

০০০০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, কেৱল আন্তঃৰাষ্ট্ৰীয় সহযোগিতাইহে বিশ্বৰ উমৈহতীয়া অঞ্চলসমূহ সুৰক্ষিত কৰি ৰখাৰ লগতে সমগ্ৰ বিশ্বৰ পন্য সামগ্ৰী বিতৰণ সুনিশ্চিত কৰিব। লাউচৰ

ৰাজধানী ভিয়েণ্টিয়ানত আজি অনুষ্ঠিত ৩১ সংখ্যক আছিয়ান আঞ্চলিক মঞ্চত অংশগ্ৰহণ কৰি তেওঁ কয় যে, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ বা বিশ্বায়নৰ আন্তঃনিৰ্ভৰশীলতাক অন্যায়ভাৱে ব্যৱহাৰ কৰা উচিত নহয়। ড০ জয়শংকৰে লগতে কয় যে, কোভিড মহামাৰী, গোলকীয় সংঘাট আৰু জলবায়ুৰ পৰিৱৰ্তনে বৰ্তমানৰ সমস্যাসমূহ অধিক জটিল কৰি তুলিছে। অৰ্থনৈতিক, ৰাজনৈতিক, প্ৰযুক্তিগত আৰু যোগাযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এইসমূহৰ সহযোগিতাইহে সমস্যাৰ সমাধান কৰিব পাৰিব। বিশ্বজুৰি দেখা দিয়া সন্ত্ৰাসবাদৰ বিৰুদ্ধে সকলো দেশকে একত্ৰিত হোৱাৰ আহ্বান জনাই তেওঁ লগতে কয় যে, ৰাষ্ট্ৰসংঘই নিষিদ্ধ ঘোষণা কৰা সন্ত্ৰাসবাদী সংগঠনসমূহৰ অৰ্থনৈতিক সংযোগ বিচ্ছিন্ন কৰাটো সকলোৰে লক্ষ্য হোৱা উচিত। সমান্তৰালকৈ মন্ত্ৰীগৰাকীয়ে চাইবাৰ অপৰাধৰ বিৰুদ্ধেও দেশসমূহক  একত্ৰিত হোৱাৰ আহ্বান জনায়।

oooooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ৪৬ সংখ্যক বিশ্ব ঐতিহ্য সমিতিৰ অধিৱেশনত আজি ইউনেস্ক'ই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ আন সাতটা নতুন ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰে। জাপানৰ ছেডো দীপৰ সোণৰখনি, চীনৰ বেইজিঙৰ ছেণ্ট্ৰেল এক্সিছ, থাইলেণ্ডৰ ফু ফ্ৰাবাট ঐতিহাসিক উদ্যান, ৰাছিয়াৰ কেন'জিৰ' হ্ৰদ, কেনিয়াৰ ঐতিহাসিক গেদি চহৰ আৰু প্ৰত্নতাত্বিক স্থান, দক্ষিণ আফ্ৰিকাৰ নেলছন মেন্দেলা লিগেছি চাইটছ ফ'ৰ হিউমেন ৰাইটছ আৰু মালয়েছিয়াৰ নিয়াহ ৰাষ্ট্ৰীয় উদ্যানৰ গুহা ইউনেস্ক'ৰ এই সমিতিয়ে বিশ্বৰ ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান দিছে।

oooooooo

নতুন দিল্লীত আজি বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হৈছে। ভাৰতীয় জনতা পাৰ্টিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত দলৰ জ্যেষ্ঠ নেতাসকল উপস্থিত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বিজেপিৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ এই সভাত অংশগ্ৰহণ কৰিছে। লোকসভা নিৰ্বাচন আৰু কেন্দ্ৰীয় বাজেট দাখিলৰ পাছত এই গুৰুত্বপূৰ্ণ বৈঠকৰ আয়োজন কৰা হৈছে। এই উচচস্তৰীয় বৈঠকত চৰকাৰী আঁচনিৰ অধিক ফলপ্ৰসূ ৰূপায়ণ, ৰাজ্যসমূহৰ কামৰ পৰ্যালোচনাৰ লগত অন্যান্য কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা কৰা হৈছে।

oooooooo

ভূ-বিজ্ঞান মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ পৃথ্বী ভৱনৰ মুখ্য কাৰ্যালয়ত ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। ২০০৬ চনৰ ১৭ জুলাইত প্ৰতিষ্ঠা হোৱা এই মন্ত্ৰালয়টোৱে প্ৰায় দুটা দশকজুৰি ভূ-বিজ্ঞান ব্যৱস্থাপনাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা আগবঢ়াই আহিছে। ভাৰত চৰকাৰৰ প্ৰধান বৈজ্ঞানিক উপদেষ্টা অধ্যাপক অজয় কুমাৰ ছুড এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত ভূ-বিজ্ঞান মন্ত্ৰালয়ৰ সচিব ড০ এম ৰবিচন্দ্ৰনে কয় যে, ১৮ বছৰ ধৰি এই বিভাগটোৱে যথেষ্ট কৃতিত্ব অৰ্জন কৰি আহিছে। তেওঁ লগতে কয় যে, বিভাগটোৱে বিশেষভাৱে খাদ্য, পানী, শক্তি, স্বাস্থ্য আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বিষয়সমূহ তথা এইবোৰৰ প্ৰত্যাহ্বানসমূহৰ প্ৰতিও গুৰুত্ব আৰোপ কৰাটো প্ৰয়োজনীয়।

oooooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছত জয়লাভ কৰি শ্ৰীলংকাই প্ৰথমে ভাৰতক বেট ধৰাৰ আমন্ত্ৰণ জনায়। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে দুই অভাৰ তিনিটা বলত এটাও উইকেট নেহেৰুওৱাকৈ ৩৫ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০০০০

মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। কালিৰ খেলখনত ১৪১ ৰানৰ লক্ষ্যৰে খেলা শ্ৰীলংকাৰ দলটোৱে তিনিটা উইকেট আৰু এটা বল বাকী থকা অৱস্থাত জয় লাভ কৰিবলৈ সমৰ্থ হয়। ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশক ১০ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০০০

সমাপ্ত